**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া চৌদি আৰৱ ভ্ৰমণসূচীৰে দেশখনলৈ ৰাওনা হৈছে।
২। এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন সন্দৰ্ভত আজি সংসদৰ যুটীয়া সমিতিৰ এখন বৈঠক অনুষ্ঠিত হৈছে।
৩। কেন্দ্ৰীয় মন্ত্ৰী ড° বীৰেন্দ্ৰ কুমাৰে দেশৰ প্ৰান্তীয় অঞ্চলত বাস কৰা অন্তিমজন লোক বিত্তীয়, সামাজিক আৰু শৈক্ষিকভাৱে সৱল হৈ নুঠালৈকে প্ৰকৃতাৰ্থত উন্নয়নৰ কথা ভাবিব নোৱাৰি বুলি মত প্ৰকাশ কৰিছে।
৪। কৈলাস মান সৰোবৰ যাত্ৰা অহা ৩০ জুনৰ পৰা আৰম্ভ কৰাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ডেলহী কেপিটেলছৰ বিৰুদ্ধে খেলিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া চৌদি আৰৱ ভ্ৰমণসূচীৰে দেশখনলৈ ৰাওনা হৈছে। যুৱৰাজ আৰু প্ৰধানমন্ত্ৰী মহম্মদ বিন ছলমানৰ আমন্ত্ৰণমৰ্মে শ্ৰী মোদীয়ে এইবেলি তৃতীয় বাৰৰ বাবে চৌদি আৰৱ ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দুয়োখন দেশৰ সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে অৰ্থনৈতিক, প্ৰতিৰক্ষা, সাংস্কৃতিক আৰু কৌশলগত সহযোগিতাৰ দিশত বিশেষ গুৰুত্ব বহন কৰিব বুলি আশা কৰা হৈছে।

প্ৰধানমন্ত্ৰী মোদীৰ জেদ্দাহ ভ্ৰমণকালত কেইবাখনো নতুন চুক্তি স্বাক্ষৰিত হ'ব বুলি আশা কৰা হৈছে। তদুপৰি এই ভ্ৰমণে আঞ্চলিক স্থিৰতা, শক্তি, নিৰাপত্তা, প্ৰতিৰক্ষা আৰু অৰ্থনৈতিক প্ৰগতিৰ দৰে গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ সহযোগিতা শক্তিশালী কৰিব। ৰাছিয়া ইউক্ৰেইনৰ সংঘৰ্ষ, চীনৰ চুবুৰীয়া দেশত পথ নিৰ্মাণৰ অগ্ৰাসী নীতি তথা বাণিজ্যিক ক্ষেত্ৰৰ অনিশ্চয়তাৰে ভৰা সাম্প্ৰতিক আন্তৰ্জাতিক পৰিস্থিতিৰ মাজতে এই ভ্ৰমণ গুৰুত্বপূৰ্ণ হিচাপে চিহ্নিত হৈছে। এই ভ্ৰমণৰ জৰিয়তে দুয়োখন দেশৰ নেতৃত্বই ইজৰাইল আৰু হামাচৰ সংঘৰ্ষৰ অন্ত পেলোৱাৰ লগতে গাজাৰ পৰিস্থিতি উন্নত কৰাকে ধৰি আঞ্চলিক প্ৰগতি ত্বৰান্বিত কৰাৰ সুযোগ লাভ কৰিব। এই ভ্ৰমণকালত বাণিজ্য, সংযোগ, শক্তি, নিৰাপত্তা, বিনিয়োগ, সংস্কৃতি তথা আঞ্চলিক সহযোগিতা সন্দৰ্ভত আলোচনা কৰা হ'ব। প্ৰস্তাৱিত ভাৰত-মধ্য প্ৰাচ্য ইউৰোপ অৰ্থনৈতিক কৰিড'ৰ সন্দৰ্ভতো বিশেষ আলোচনা কৰা হ'ব। এই কৰিড'ৰৰ জৰিয়তে কাৰ্বন নিৰ্গমনৰ পৰিমাণ হ্ৰাস, নিয়োগৰ সুবিধা সৃষ্টি হোৱাৰ লগতে অৰ্থনৈতিক প্ৰগতি সাধিত হোৱাৰ সম্ভাৱনা আছে।

জেদ্দাহত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে প্ৰধানমন্ত্ৰী মোদীৰ ভ্ৰমণ সন্দৰ্ভত গৌৰৱ তথা উছাহ প্ৰকাশ কৰিছে। এই প্ৰবাসী ভাৰতীয়সকলে প্ৰধানমন্ত্ৰী মোদীৰ ভ্ৰমণক ঐতিহাসিক ততা সোণালী মুহূৰ্ত আখ্যা দিয়াৰ লগতে ইয়াৰ জৰিয়তে দেশ দুখনৰ মাজৰ সম্পৰ্ক গভীৰ হৈ উঠিব বুলি আশা প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনোৱাৰ উদ্দেশ্যে বিয়লিৰ ভাগলৈ সাংস্কৃতিক কাৰ্যসূচীকে ধৰি পৰম্পৰাগত আদৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই ভ্ৰমণে ভাৰত আৰু চৌদি আৰৱৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০০

**এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন** সন্দৰ্ভত আজি সংসদৰ যুটীয়া সমিতিৰ এখন বৈঠক অনুষ্ঠিত হৈছে। ৰাজ্যসভাৰ ১২ গৰাকী সদস্য আৰু লোকসভাৰ ২৭ গৰাকী সদস্যৰে ৩৯ জনীয়া এই সমিতিখন গঠন কৰা হৈছে। এই বৈঠকৰ প্ৰথম সত্ৰত আইন আয়োগৰ অধ্যক্ষ আৰু উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ ড° বি এছ চৌহান তথা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ হেমন্ত গুপ্তাৰ সৈতে আলোচনা অনুষ্ঠিত হ'ব। যুটীয়া আয়োগৰ অধ্যক্ষ পি পি চৌধুৰীয়ে নতুন দিল্লীত সংবাদমাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কয়, যে

**এখন ৰাষ্ট্ৰ এটা নিৰ্বাচনৰ** জৰিয়তে দেশৰ অৰ্থনীতি উপকৃত হ'ব। সঘনাই নিৰ্বাচন অনুষ্ঠিত কৰাৰ জৰিয়তে শিক্ষাৰ ব্যৱস্থা তথা শিক্ষাৰ্থী আৰু শিক্ষকসকলৰ ওপৰত প্ৰতিকুল প্ৰভাৱ পৰিলক্ষিত হয় বুলি উল্লেখ কৰি তেওঁ কয়, যে এই ব্যৱস্থাত বহু ৰচদপাতি যোগান, নিৰ্বাচন আয়োগৰ বিভিন্ন বিষয়া নিয়োগ তথা অৰ্ধ সামৰিক বাহিনী মোতায়নৰ প্ৰয়োজন হয়।

০০০০০০০০০

সামাজিক ন্যায় আৰু সৱলীকৰণ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে দেশৰ প্ৰান্তীয় অঞ্চলত বাস কৰা অন্তিমজন লোক বিত্তীয়, সামাজিক আৰু শৈক্ষিকভাৱে সৱল হৈ নুঠালৈকে প্ৰকৃতাৰ্থত উন্নয়নৰ কথা ভাবিব নোৱাৰি বুলি মত প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি 'সামাজিক ন্যায় সন্দৰ্ভত চৰ্চা' শীৰ্ষক এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে অনুষ্ঠানৰ লক্ষ্য হৈছে – ড° আম্বেদকাৰে সম অধিকাৰৰ সপোন দেখা সমাজৰ শোষিত, বঞ্চিত শ্ৰেণীৰ উন্নয়ন সন্দৰ্ভত আলোচনা কৰা। শ্ৰী কুমাৰে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে সমাজৰ সৰ্বাংগীন বিকাশৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰি আহিছে। তেওঁ লগতে এনে এখন ৰাষ্ট্ৰ নিৰ্মাণত গুৰুত্ব আৰোপ কৰে য'ত, প্ৰগতিৰ বিষয়টোক জন্মৰ সংখ্যাক লৈ নহয়, বৰং, কামৰ আধাৰত নিৰ্ধাৰণ কৰা হয়।

০০০০০০০০০

আজি বিশ্ব ধৰিত্ৰী দিৱস। জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ, বনাঞ্চল ধবংস আৰু জৈৱ বৈচিত্ৰ্যৰ ক্ষতিৰ দৰে পৰিৱেশৰ সৈতে জড়িত সমস্যাসমূহৰ বিষয়ে সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে বিশ্ব ধৰিত্ৰী দিৱস পালন কৰি অহা হৈছে। ১৯৬৯ চনত ইউনেস্ক' সন্মিলনত গ্ৰহণ কৰা পৰামৰ্শ অনুসৰি ১৯৭০ চনৰ পৰা আজিৰ দিনটোতে এই দিৱস পালন কৰি অহা হৈছে। এই দিনটো বিশ্বত মানৱ জাতিৰ সামূহিক প্ৰভাৱৰ বিষয়ে চিন্তা-চৰ্চা কৰাৰ লগতে ইতিবাচক পৰিৱৰ্তন সাধনৰ বাবে চিন্তা-চৰ্চা কৰাৰ দিন হিচাপে বিবেচিত কৰা হয়। এইবেলি বিশ্ব ধৰিত্ৰী দিৱসৰ বিষয়বস্তু হৈছে- 'আমাৰ শক্তি, আমাৰ গ্ৰহ'। বিশ্ব ধৰিত্ৰী দিৱস উদযাপনৰ ৫৫ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে আজি বিশ্বৰ ১৯২ খন দেশৰ জনসাধাৰণে বিভিন্ন কাৰ্যসূচীত অংশ লৈছে।

০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে বিশ্ব ধৰিত্ৰী দিৱস উপলক্ষে জনসাধৰাণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী শ্বাহে এটা বাৰ্তাত কয়, যে ধৰিত্ৰীয়ে একোটা জীৱন সৃষ্টি কৰি জীৱকুলৰ বৃদ্ধি আৰু ক্ৰমাগত বিকাশৰ বাবে প্ৰয়োজনীয় পৰিস্থিতি তন্ত্ৰক লালন পালন কৰে। ইয়াৰ বাবে প্ৰতিজন লোকেই পৃথিৱীৰ সুৰক্ষাৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিব লাগে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে বহনক্ষম বিকাশৰ বাবে মোদী চৰকাৰে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। শ্ৰী শ্বাহে পৃথিৱীখনক জীয়াই থকাৰ উপযোগীকৈ গঢ়ি তোলাৰ ক্ষেত্ৰত পৰিৱেশ সংৰক্ষণবিদসকলৰ প্ৰচেষ্টাৰ শলাগ লয়।

০০০০০০০০০

কৈলাস মান সৰোবৰ যাত্ৰা অহা ৩০ জুনৰ পৰা আৰম্ভ কৰাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। উল্লেখযোগ্য যে কোৰিড-১৯ মহামাৰীৰ পৰিপ্ৰেক্ষিতত বিগত ৪ বছৰ ধৰি এই যাত্ৰা অনুষ্ঠিত কৰিব পৰা হোৱা নাছিল। উত্তৰাখণ্ড চৰকাৰ আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ যৌথ উদ্যোগত এই যাত্ৰাৰ আয়োজন কৰা হৈছে। কুমাউন মণ্ডল বিকাশ নিগমক এই যাত্ৰা আয়োজনৰ সকলো দায়িত্ব অৰ্পণ কৰা হৈছে। তীৰ্থযাত্ৰীসকলে দিল্লীৰ পৰা এই যাত্ৰা আৰম্ভ কৰি পিথুৰাগৰ জিলাৰ লিপুলেখ পাছেৰে গৈ চীনত প্ৰৱেশ কৰিব। এইবেলি ২৫০ গৰাকী তীৰ্থযাত্ৰীয়ে আধ্যাত্মিকভাৱে গুৰুত্বপূৰ্ণ ২২ দিনীয়া এই যাত্ৰাত ভাগ ল'ব। তীৰ্থযাত্ৰীসকলক ৫ টা দলত ভাগ কৰা হৈছে। প্ৰতিটো দলত ৫০ গৰাকীকৈ তীৰ্থযাত্ৰীক সামৰি লোৱা হৈছে। তীৰ্থযাত্ৰীৰ প্ৰথমটো দলে ১০ জুলাইত চীনত প্ৰৱেশ কৰাৰ বিপৰীতে অন্তিমটো দল ২২ আগষ্টত উভতি আহিব। এই যাত্ৰাৰ সময়ছোৱাত যাত্ৰীসকলে তনকপুৰ, ধৰচুলা, গুঞ্জি আৰু নাভিধাঙত জিৰাব। ওভতনি পথত তীৰ্থযাত্ৰীসকলে বুন্দি, চাওকড়ি আৰু আলমৰা হৈ দিল্লীত উপস্থিত হ'ব। তীৰ্থযাত্ৰীসকলৰ স্বাস্থ্য তথা নিৰাপত্তা সুনিশ্চিত কৰাৰ উদ্দেশ্যে ইন্দো-তীববতীয় সীমান্ত আৰক্ষীৰ সহযোগত পিথুৰগড়ৰ গুঞ্জি তথা দিল্লীত তেওঁলোকৰ স্বাস্থ্য পৰীক্ষা কৰা হ'ব।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভান্স আৰু তেওঁৰ পৰিয়ালে আজি ৰাজস্থানৰ জয়পুৰৰ অম্বৰ দুৰ্গ পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা আৰু উপ-মুখ্যমন্ত্ৰী দিয়া কুমাৰীয়ে শ্ৰী ভান্সক অম্বৰ দুৰ্গত সাক্ষাৎ কৰি অভিবাদন জনায়। তিনিদিনীয়া ভ্ৰমণসূচীৰে যোৱা নিশা জয়পুৰত উপস্থিত হোৱা আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে তেওঁৰ ভাৰতীয় মূলৰ পত্নী ঊষা ভান্স আৰু পৰিয়ালৰ অন্যান্য সদস্যসকলৰ লগতে দেশখনৰ প্ৰশাসনৰ শীৰ্ষ বিষয়াৰ এটা দল ভাৰতলৈ আহিছে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আজি বিয়লিৰ ভাগত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাণিজ্যিক সম্পৰ্কৰ ভৱিষ্যত সন্দৰ্ভত এখন বাণিজ্যিক সন্মিলনত অংশ ল’ব।

০০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে গৰমৰ প্ৰকোপ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বিহাৰৰ ৩১ খন জিলাত হালধীয়া সতৰ্কতা জাৰি কৰিছে। যোৱা দুদিনত ৰাজ্যখনত দিনৰ ভাগত তাপমাত্ৰা প্ৰায় ১০ ডিগ্ৰী বৃদ্ধি হয়। ৰাজ্যখনৰ কেইবাটাও অংশত সৰ্বাধিক তাপমাত্ৰা ৪২ ডিগ্ৰী ছেলছিয়াছ অতিক্ৰম কৰিছে। পাটনাৰ বতৰ বিজ্ঞান কেন্দ্ৰই এই সপ্তাহত পশ্চিম চম্পাৰণ, পূব চম্পাৰণ, গোপালগঞ্জ, চিৱান আৰু চৰণ জিলাত উষ্ণতা আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। এই দিনকেইটাত তাপমাত্ৰা ৪০ৰ পৰা ৪২ ডিগ্ৰী চেলচিয়াছৰ ভিতৰত থাকিব যদিও জলবায়ুৰ আদ্ৰতাৰ বাবে জনসাধাৰণে অসুবিধাৰ সন্মুখীন হ’ব বুলি বতৰ বিজ্ঞান বিভাগে আগজাননী দিছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ডেলহী কেপিটেলছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব। প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে কলকাতা নাইট ৰাইডাৰ্ছক ৩৯ ৰানত পৰাস্ত কৰি প্ৰতিযোগিতাৰ চলিত সংস্কৰণত নিজৰ ষষ্ঠ বিজয় সাব্যস্ত কৰে।

০০০০০০০

ভাৰতৰ সীমৰণ প্ৰীত কৌৰ ব্ৰাৰে পেৰুৰ লীমাত চলি থকা ইণ্টাৰনেচনেল শ্বুটিং স্পৰ্ট ফেডাৰেচন বিশ্বকাপৰ মহিলাৰ ২৫ মিটাৰ পিষ্টল শিতালত ৰূপৰ পদক অৰ্জন কৰিছে। এয়া হ’ল খেলুৱৈগৰাকীৰ প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় পদক। ভাৰতীয় খেলুৱৈগৰাকীৰ প্ৰতিযোগিতাত মুঠ ৩৩ পইণ্ট অৰ্জন কৰি এই পদক লাভ কৰে। একেটা শিতানত চীনৰ ছুন ইউজিয়েই সোণৰ আৰু য়াও কিয়ানচুনে ৰূপৰ পদক অৰ্জন কৰে। পেৰিছ অলিম্পিকত দুটাকৈ পদক অৰ্জন কৰা ভাৰতৰ মনু ভাকেৰে চতুৰ্থ স্থান লাভ কৰে। ভাৰতে এইপৰ্যন্ত প্ৰতিযোগিতাখনত দুটা সোণৰ, চাৰিটা ৰূপৰ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছে।

০০০০০০০

**সমাপ্ত**